# **REGIONAL NEWS UNIT**
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 20-05-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::::**

ৰাজ্যখনত আইন শৃংখলা পৰিস্থিতি শক্তিশালী  কৰি তোলাৰ লগতে জৰুৰীকালিন সঁহাৰি ব্যৱস্থা অধিক সক্ৰিয় কৰি তোলাৰ কৌশল বিকাশৰ লক্ষ্যৰে আজি দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আৰক্ষী অধীক্ষকৰ সন্মিলনৰ আয়োজন কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি  এখন সুৰক্ষিত সমাজ গঢ়াৰ বাবে সহযোগিতাপূৰ্ণ, জনসাধাৰণকেন্দ্ৰীক আৰক্ষী বাহিনীৰ বিশেষ ভূমিকা আছে বুলি মন্তব্য কৰে। এই সন্মিলনত কৰা আলোচনাই অধিক সুৰক্ষিত আৰু নিৰাপদ অসম গঢ়াৰ ক্ষেত্ৰত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।  উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছতে ডঃ শৰ্মাই প্ৰতি ছমাহত অসম আৰক্ষী অধীক্ষকৰ সন্মিলন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত আইনৰ শাসন সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষকসকলক লক্ষ্য স্থিৰ কৰি দিছিল। এই সন্মিলনত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই বিভিন্ন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ পৰা বিগত সময়ছোৱাৰ কাম-কাজ আৰু আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কীয় সবিশেষ তথ্য গ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকী আজি গোলাঘাট জিলাৰ খুমটাইৰ বৰুৱাবামুনগাওঁৰ পৰিত্যক্ত অসম সমবায় চেনিকলৰ স্থান পৰিদৰ্শন কৰে। ডঃ শৰ্মাই এই পৰিত্যক্ত ভূমিৰ চাৰিওকাষে পকী বেৰ নিৰ্মাণ কৰি পৰৱৰ্তী সময়ত উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰা হব বুলি প্ৰকাশ কৰে। তেওঁ লগতে এতিয়াও চেনিকলৰ আৱাসসমূহত বসবাস কৰি থকা কমেও ২০ টা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হ'ব বুলি আশ্বাস দিয়ে। এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণত গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে এই উদ্যোগ স্থাপনত অগ্ৰাধিকাৰ দিয়া হৈছে বুলি তেওঁ কয়। এই স্থানত উদ্যোগীকৰণৰ জৰিয়তে অঞ্চলটো অৰ্থনৈতিক দিশৰ উল্লেখযোগ্য কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ১৯৫৫ চনত সমবায় হিচাপে মুকলি কৰা বৰুৱাবামুনগাওঁৰ চেনীকলটো দীঘলীয়া সময় ধৰি কাৰ্যক্ষম হৈ আছিল। ১৯৯৬ চনত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰা চেনীকলটো ৫৫০ বিঘা ভূমি পৰিত্যক্ত হৈ আছে।

০০০০

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেছনৰ লগতে দেশৰ মুঠ ১০৩ টা ৰে'ল ষ্টেছনক পৰহিলৈ অমৃত ভাৰত ষ্টেছনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেছনকেইটা মুকলি কৰিব। উত্তৰ-পূৰ সীমান্ত ৰে'লৰেৰ জনসম্পৰ্কৰক্ষী বিষয়াই আজি নগাওঁত এখন সংবাদমেলযোগে এই  বিষয়ে প্ৰকাশ

কৰে। পৰহিলৈ এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত, ১৮৮৭ চনতে স্থাপিত হয়বৰগাঁও ষ্টেছনক আধুনিক ৰূপত সজাই তোলা হৈছে। অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

০০০০

শিৱসাগৰ নগৰৰ সমীপৰ জয়সাগৰৰ এটা দুচকীয়া বাহনৰ অনুমোদিত বিক্ৰী প্ৰতিষ্ঠানত আজি বিয়লি সংঘটিত অগ্নিকাণ্ডত ভালেমান সা-সম্পত্তি ভস্মীভূত হয়। এখন বাহনৰ চকা ফুটি হোৱা এই অগ্নিকাণ্ডত ২৭ খন বাহন সম্পূৰ্ণৰূপে ভষ্মিভূত হয়। অৱশ্যে  অগ্নিনিৰ্বাপক বাহিনীয়ে পলমকৈ হলেও জুই নুমুৱাবলৈ সমৰ্থ হয়।

০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি মহকুমা ভূমি উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। ৰাজ্যত শক্তি, দক্ষতা বিকাশ, নিয়োগ, উদ্যমিতা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনৰ উপস্থিতিত অনুৰ্ষ্ঠিত বৈঠকত ৰাজহুৱা প্ৰতিষ্ঠানৰ আন্তঃগাথনি আৰু তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত চৰকাৰী ভূমি আৱণ্টনৰ বাবে লাভ কৰা প্ৰতিবেদনসমূহ উপস্থাপন কৰা হয়। এই  বৈঠকত প্ৰতিবেদনসমূহ পুংখানুপুংখভাৱে নিৰীক্ষণ তথা বিবেচনা কৰি নীতিগত অনুমোদন জনোৱা হয়। বৈঠকত ডুলিয়াজানৰ বিধায়ক তেৰছ গোৱালা আৰু জিলা আয়ুক্ত বৈক্ৰম কৈৰী উপস্থিত থাকে।

০০০০

হোজাই বন সুৰক্ষা বাহিনীয়ে আজি পুৱা অভিযান চলাই জিলাখনৰ নন্দপুৰৰ পৰা অবৈধভাৱে সৰবৰাহ কৰা চেগুণ কাঠ ভৰ্তি  বাহন এখন জব্দ কৰে। জব্দ কৰা কাঠখিনি আনুমানিক  বজাৰ মূল্য লক্ষাধিক টকা হ'ব বুলি অভিযানকাৰী বন বিষয়াগৰাকীয়ে  প্ৰকাশ কৰে। বন সুৰক্ষা বাহিনীয়ে কাঠসমূহ নিজ কাৰ্যালয়লৈ লৈ গৈ তদন্ত অব্যাহত ৰাখিছে।

০০০০

ডিব্ৰুগড় জিলাৰ মদাৰখাট হাটখোলা গাঁৱৰ উদীয়মান যুৱক, অসম গণ পৰিষদ দলৰ সক্ৰিয় সদস্য দেৱজিত দত্তৰ যোৱানিশা হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। এটা ব্যক্তিগত বৈদ্যুতিন চেনেলত সংবাদদাতা ৰূপেও কাৰ্যনিৰ্বাহ কৰা দেৱজিত দত্তৰ মৃত্যুৰ সময়ত বয়স আছিল ৪৮ বছৰ।

০০০০

যোৱা মাজনিশাৰে পৰা হোৱা প্ৰবল বৰষুণৰ ফলত পশ্চিম কাৰ্বি আংলঙৰ ডেৰাগাঁৱৰ সমীপৰ বৈঠালাংছ'-হামৰেণ সংযোগী পথৰ সোঁমাজত গছ বাগৰি পৰাৰ ফলত পথ যোগাযোগ ব্যাহত হয়। ডিব্ৰুগড় জিলাত সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি  খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত অহা জুন আৰু জুলাইৰ চাউল আগতীয়াকৈ আৱণ্টন দিছে। এই আৱণ্টন প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ ডিব্ৰুগড় যোগান বিভাগৰ এটা দলে আজি ভাৰতীয় খাদ্য নিগমৰ

চাউলখোৱাত থকা গুদাম পৰিদৰ্শন কৰে। দলটোৱে সকলো পৰিবহণকাৰীক নিৰ্ধাৰিত সময়ৰ ভিতৰত চাউল সংগ্ৰহৰ কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সহায় হ'বলৈ পৰ্যাপ্ত ট্ৰাকৰ যোগান ধৰাৰ বাবে এটা নিৰ্দেশ জাৰি কৰে।

০০০০

সমাপ্ত